# 3 (Sem–3/CBCS) ASM–SE

## 2023

## ASSAMESE

( Skill Enhancement Course )

Paper : ASM–SE–3014

*Full Marks* : 50

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৪=৪

(ক) 'সাহিত্যাচার্য' / 'সাহিত্যচার্য্য'—শুদ্ধ শব্দটো লিখা।

(খ) ভাৰতৰ প্ৰথমটো বিজ্ঞাপন এজেন্সীৰ নাম লিখা।

(গ) অসম সাহিত্য সভাই প্ৰকাশ কৰা আৰ্হি পাঠ-বিষয়ক গ্ৰন্থখনৰ নাম কি?

(ঘ) 'অগ্নিস্নান' কথাছবিখন কোনখন উপন্যাসৰ চলচ্চিত্ৰ ৰূপ?

২। চমু উত্তৰ লিখা : ২×৩=৬

(ক) "অহাকালি মুকলি সভা ও বঁটা বিতৰণী অনুষ্ঠান আছে।" বাক্যটো শুদ্ধ ৰূপত লিখা আৰু ভুলৰ কাৰণটো লিখা।

(খ) শ্ৰেণীবদ্ধ বিজ্ঞাপনৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(গ) 'হালধীয়া চৰায়ে বাওধান খায়' আৰু 'কোলাহল' চলচ্চিত্ৰ দুখনৰ পৰিচালক দুগৰাকীৰ নাম লিখা।

৩। চমু টোকা লিখা (যি কোনো দুটা) : ৫×২=১০

(ক) সম্পাদনা কাৰ্যত সাংকেতিক চিহ্নৰ ব্যৱহাৰ

(খ) বিজ্ঞাপনৰ প্ৰয়োজনীয়তা

(গ) প্ৰবন্ধৰ অনুবাদ

(ঘ) চিত্ৰনাট্যৰ চৰিত্ৰ

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো তিনিটা) : ১০×৩=৩০

(ক) পুথি সম্পাদনা বুলিলে কি বুজা? সম্পাদনা কাৰ্যত আৰ্হি পাঠৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(খ) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা বিৰাম চিহ্নৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা।

(গ) বিজ্ঞাপন বুলিলে কি বুজা? বিজ্ঞাপনৰ উদ্দেশ্য আৰু কৌশল সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(ঘ) কোনো এখন গ্ৰন্থ বিদেশী ভাষাৰ পৰা অসমীয়ালৈ অনুবাদ কৰোঁতে কি কি অসুবিধাৰ সন্মুখীন হোৱা যায়, বহলাই লিখা।

(ঙ) ইংৰাজী ভাষাত ব্যক্ত কৰা সাক্ষাৎকাৰ এটি অসমীয়া ভাষাত পঠনীয় কৰি অনুবাদ কৰিবলৈ হ'লে অনুবাদকজন কোন কোন ক্ষেত্ৰত সচেতন হ'ব লাগিব, আলোচনা কৰা।

(চ) তোমাৰ প্ৰিয় এটি গল্প অথবা উপন্যাস এখনৰ কাহিনীৰ আধাৰত এখন চিত্ৰনাট্য প্ৰস্তুত কৰা। চিত্ৰনাট্য প্ৰস্তুতৰ আৰম্ভণিতে গল্পকাৰ অথবা ঔপন্যাসিকগৰাকীৰ চমু পৰিচয় এটি উল্লেখ কৰিবা।

★★★